**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-10-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***

**:::::::::::::::::::::::::::::::::::::::::::**

## <u>Headlines</u>

১। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ উন্নীতকৰণৰ পোষকতা।

২। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আজি দেশ-বিদেশৰ পৰ্যটকৰ বাবে মুকলি।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি নতুন দিল্লীত জামাইকাৰ প্ৰধানমন্ত্ৰী ড০ এণ্ড্ৰিউ হ'লনেছৰে বৈঠক।

৪। জম্মু-কাশ্মীৰত আজি তৃতীয় তথা চূড়ান্ত পৰ্যায়ৰ বিধান সভা নিৰ্বাচনৰ ভোটগ্ৰহণ।

*আৰু*

৫। ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলৰ আজি অন্তিম দিনা বাংলাদেশে ২ উইকেট হেৰুৱাই সংগ্ৰহ কৰা ২৬ ৰানৰ পৰা নিজৰ খেল আৰম্ভ।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ উন্নীতকৰণৰ পোষকতা কৰিছে। কালি গুৱাহাটীত সাংবাদিকেৰে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এন আৰ চিৰ বিষয়টো এতিয়া কেৱল অসমৰ সমস্যা বা বিষয় নহয়। এইটো এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমস্যা। সেয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত এন আৰ চি যুগুতৰ বিষয়টোক লৈ সংসদত মুকলিমুৰীয়াকৈ আলোচনা হ'ব লাগে। তেওঁ কয় যে, ৰাজ্য চৰকাৰে যিদৰে শুদ্ধ এন আৰ চি বিচাৰি আছে তথা ২০ শতাংশ পুনৰীক্ষণৰ সুবিধা দিব লাগে বুলি কৈ আছে, ঠিক তেনেকৈ ঝাৰখণ্ড বা অন্য ৰাজ্যতো এন আৰ চি হ'ব লাগে। বিদেশী এতিয়া কেৱল অসমতে থাকে বুলি কোনো কথা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে, বিদেশী অসম বা পশ্চিমবংগৰে সোমাই ভাৰতৰত যিকোনো ৰাজ্য লৈ গৈ আধাৰ কাৰ্ড বনাই আকৌ অসমলৈ ঘূৰি আহিব পাৰে। সেয়ে বিষয়টোৰ গুৰুত্ব বুজি সৰ্বভাৰতীয় পৰ্যায়ত এন আৰ চি সন্দৰ্ভত আলোচনা হ'ব লাগে বুলিও তেওঁ কয়। সমগ্ৰ দেশতে এন আৰ চি উন্নীতকৰণৰ পোষকতা কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত এইদৰে কয়-

***ঃঃ ভইচ কাষ্ট ঃঃ***

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ বাবে আজি মুকলি হ'ব। ইয়াৰ বাবে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। প্ৰথম অৱস্থাত পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা থাকিব। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰ ভাগৰ বাট-পথসমূহ মেৰামতি কৰাৰ লগতে জীপ চালক সকলকো প্ৰশিক্ষণ প্ৰদান কৰিছে। ইতিমধ্যে কেইবালানিও প্ৰশিক্ষণ কাৰ্যসূচী সমাপ্ত হৈছে। আজি উদ্যোনখনৰ

কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব।

এই বিষয়ে আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয়—

**ঃঃ ভইচ কাষ্ট ঃঃ**

ইফালে আজি ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্পও পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ এটা খৰ্গযুক্ত গঁড়ৰ বিচৰণথলী আৰু মাটিকালিৰ ক্ষেত্ৰত এছিয়াৰ ভিতৰতে বাঘৰ ঘন বসতি থকা এই উদ্যানখন মুকলি কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পন্ন হৈছে। উদ্যানখনৰ পথসমূহ মেৰামতি কৰি জীপ ছাফাৰীৰ বাবে উপযোগী কৰি তোলা হৈছে। এইবাৰ পৰ্যটকসকলৰ সুবিধাৰ্থে বন বিভাগে নিজাকৈ ছটা কোঠাৰ ইকো কেম্প মুকলি কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় জনতা পাৰ্টিৰ সদস্য ভৰ্তি অভিযানৰ অধীনত ৰাজ্যত বৰ্তমানলৈ ৫২ লাখ লোকে অনলাইনযোগে বিজেপিত যোগদান কৰাত সন্তুষ্টি প্ৰকাশ কৰিছে। কালি গুৱাহাটীৰ বশিষ্ঠত থকা ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত অটল বিহাৰী বাজপেয়ী ভৱনত সদস্য ভৰ্তি অভিযানৰ পৰ্যালোচনা কৰি তেওঁ এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে সমগ্ৰ দেশতে অব্যাহত থকা সদস্য ভৰ্তি অভিযানৰ অধীনত ৰাজ্যত দেশৰ ভিতৰত ৮৫ শতাংশ সদস্য ভৰ্তিৰ লক্ষ্য প্ৰাপ্তিৰে বিশেষ নজিৰ স্থাপন কৰিছে। এইক্ষেত্ৰত অসম সমগ্ৰ দেশৰ ভিতৰতে প্ৰথম স্থানত থকা বুলি তেওঁ অৱগত কৰে। ইয়াৰ উপৰি ৰাজ্যৰ ৭১ টা বিধানসভা সমষ্টিত নিৰ্ধাৰিত ৪০ হাজাৰতকৈ অধিক লোকে বিজেপিৰ সদস্য পদ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে অহা ৯ অক্টোবৰৰ ভিতৰত ৰাজ্যৰ ৯০টাৰো অধিক বিধানসভা সমষ্টিত ৪০ হাজাৰৰো অধিক সদস্যভৰ্তি কৰিবলৈ সমৰ্থ হ'ব। জালুকবাৰী বিধানসভা সমষ্টিৰ কেইবালাখ লোকে বিজেপিৰ সদস্যপদ গ্ৰহণ কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। উল্লেখযোগ্য যে সদস্য ভৰ্তি অভিযানৰ অধীনত বৰ্তমান ডিব্ৰুগড় জিলা শীৰ্ষত আছে বুলি তেওঁ জানিবলৈ দিয়ে। ৰাজ্যিক বিজেপিয়ে কালি আয়োজন কৰা পৰ্যালোচনা বৈঠকত সদস্য ভৰ্তি অভিযান সন্দৰ্ভত সবিশেষ আলোচনা কৰা হয়। এই বৈঠকতে দলটোৰ সদস্যভৰ্তি অভিযানৰ দ্বিতীয় পৰ্যায় অফলাইন প্ৰক্ৰিয়াৰে আৰম্ভ হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত জামাইকাৰ প্ৰধানমন্ত্ৰী ড০ এণ্ড্ৰিউ হ'লনেছৰ সৈতে বিশেষ আলোচনাত মিলিত হ'ব। দেশ দুখনৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰিবলৈ এই আলোচনাত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে জামাইকাৰ প্ৰধানমন্ত্ৰী ড০ এণ্ড্ৰিউ হ'লনেছৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ। এই ভ্ৰমণৰ সময়ত তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰাৰ লগতে কেইবাগৰাকীও উদ্যোগপতিৰ সৈতে মত বিনিময় কৰিব। চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা ড০ এণ্ড্ৰিউ হ'লনেছে কাইলৈ বাৰাণসী ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ জৰিয়তে ভাৰত আৰু জামাইকাই দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ অৰ্থনৈতিক সহযোগিতা আৰু উন্নয়নৰ মূল খণ্ডসমূহৰ মাজত সহযোগিতা বৃদ্ধি কৰিব। জামাইকাৰ উন্নয়নমূলক প্ৰকল্পসমূহত ইতিমধ্যে ভাৰতে সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে।

০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় বয়োজ্যেষ্ঠ দিৱস। এই দিৱসৰ সৈতে সংগতি ৰাখি গোলাঘাট জিলাত আজি জ্যেষ্ঠ নাগৰিকসকলৰ বাবে বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰ মুকলি কৰা হ'ব। শ্বহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ চৌহদত মুকলি কৰিবলগীয়া এই শিবিৰ ৩ অক্টোবৰ পৰ্যন্ত খোলা থাকিব। পুৱা ৯ বজাৰ পৰা দিনৰ এক বজালৈ এই শিবিৰত জ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্য পৰীক্ষা কৰা হ'ব। তদুপৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক দিৱসৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি বোকাখাটৰ শ্বহিদ কমলামিৰি অসামৰিক চিকিৎসালয় আৰু কাইলৈ সৰুপথাৰ সামুহিক স্বাস্থ্যকেন্দ্ৰতো পৰীক্ষা শিবিৰ মুকলি কৰা হব।

০০০০০০০

জম্মু-কাশ্মীৰত আজি তৃতীয় তথা চূড়ান্ত পৰ্যায়ৰ বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত হৈছে। ৭ খন জিলাৰ ৪০টা বিধানসভা সমষ্টিত শান্তিপূৰ্ণ ভোটগ্ৰহণৰ বাবে ব্যাপক নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ প্ৰক্ৰিয়া  সন্ধিয়া ৬ বজাত সমাপ্ত হ'ব। ভোটাৰৰ বাবে প্ৰতিটো ভোটকেন্দ্ৰত ন্যূনতম মৌলিক সুবিধা সুনিশ্চিত কৰা হৈছে আৰু ভোটকেন্দ্ৰসমূহত ২০ হাজাৰতকৈ অধিক প'লিং বিষয়া নিয়োগ কৰা হৈছে। কাশ্মীৰৰ সংমণ্ডলৰ বাৰামুল্লা, কুপৱাৰা, বাণ্ডিপুৰা আৰু জম্মু সংমণ্ডলৰ জম্মু, উধমপুৰ, কাঠুৱা আৰু ছাম্বা জিলাত ৬০টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। অন্তিম পৰ্যায়ত ৩৯ লাখৰো অধিক ভোটাৰে সৰ্বমুঠ ৪১৫ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মুজাফ্‌ফৰ হোছেইন বেইগ, বছাৰত বুখাৰী, ছাজাদ গানী ল'ন, নাছিৰ আছলাম ৱানী, দেৱীন্দৰ সিং ৰাণা, চৌধুৰী লাল সিং আৰু ৰমন ভাল্লা আদি জ্যেষ্ঠ নেতাই আজি প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

উল্লেখযোগ্য যে ১৮ ছেপ্তেম্বৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৬১ দশমিক ৩-৮ শতাংশ ভোটদান হোৱাৰ বিপৰীতে ২৫ ছেপ্তেম্বৰত অনুষ্ঠিত দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচনত ৫৭ শতাংশ ভোটদান সম্পন্ন হৈছিল। হাৰিয়ানাৰ সৈতে অহা ৮ অক্টোবৰত জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰো ভোট গণনা সম্পন্ন হ'ব।

০০০০০০০

ৰাষ্ট্ৰীয় পোষণ মাহৰ সৈতে সংগতি ৰাখি যোৱা এক ছেপ্তেম্বৰৰ পৰা উদযাপন কৰা ৰাজ্যিক পোষণ মাহৰ আজি সামৰণি পৰিব। গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত আৰম্ভ হ'বলগীয়া সামৰণি অনুষ্ঠানত মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ মুখ্য অতিথি, শ্ৰম আৰু চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ তাচাৰ লগতে বিধায়ক মৃণাল শইকীয়া আৰু বিশ্বজিৎ ফুকন উপস্থিত থাকিব।

০০০০০০০

তিনিদিনীয়া ভ্ৰমণসূচীৰে অৰুণাচল প্ৰদেশত উপস্থিত হোৱা কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি কেইবাটাও চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ আজি  দৰ্জী খাণ্ডু ৰাজ্যিক অধিৱেশন কক্ষত এটা জনসম্পৰ্কৰক্ষা কাৰ্যসূচীত অংশ ল'ব। ইয়াৰ পাছতে তেওঁ নামছাই জিলাত ভাৰতীয় ষ্টেট বেংকৰ আঞ্চলিক ব্যৱসায় কাৰ্যালয় উদ্বোধন কৰিব।

উল্লেখযোগ্য যে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে কালি অৰুণাচল প্ৰদেশৰ ইটানগৰত অৰুণাচল, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰাক সামৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৭টা আঞ্চলিক গ্ৰাম্য বেংকৰ কাম-কাজ পৰ্যালোচনা কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত আয়োজিত বৈঠকত আঞ্চলিক গ্ৰাম্য বেংক আৰু পৃষ্ঠপোষক বেংকসমূহৰ অধ্যক্ষসকল উপস্থিত থাকে। বৈঠকত বিত্তীয় সেৱা বিভাগৰ সচিব,

অতিৰিক্ত সচিবৰ উপৰি আৰ বি আই, নাবাৰ্ড আদিৰ প্ৰতিনিধি তথা উত্তৰ-পূৰ্বৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। এই বৈঠকত ডিজিটেল প্ৰযুক্তি সেৱা উন্নীতকৰণ, ব্যৱসায়িক উন্নয়ন আৰু গ্ৰামীণ অৰ্থনীতি বিকাশৰ ক্ষেত্ৰত আঞ্চলিক গ্ৰাম্য বেংকসমূহৰ ভূমিকা পালন সন্দৰ্ভত আলোচনা কৰা হয়।

0000000

ৰাজ্যৰ ১১৩ গৰাকী আৰক্ষী বিষয়া-কৰ্মচাৰীলৈ ২০২৪ বৰ্ষৰ আৰক্ষী সঞ্চালকপ্ৰধানৰ প্ৰশংসাসূচক পদক আগবঢ়োৱা হৈছে। ইয়াৰে ১১ গৰাকীক সোণৰ, ১০২ গৰাকীক ৰূপৰ পদক প্ৰদান কৰা হ'ব। অসম আৰক্ষীয়ে এটা বিবৃতিযোগে এই কথা প্ৰকাশ কৰিছে।

0000000

ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত হৈ থকা টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেলত আজি অন্তিম দিনা বাংলাদেশে কালি ২ উইকেট ২৬ ৰান সংগ্ৰহ কৰি থকাৰ পৰা নিজৰ খেল আৰম্ভ কৰিব। কালি খেল সমাপ্তিৰ সময়ত বাংলাদেশৰ মমিনুল হক আৰু ছাদমান ইছলামে বেটিং কৰি আছিল। ভাৰতৰ হৈ ৰবিচন্দ্ৰন অশ্বিনে দুয়োটা উইকেট দখল কৰিছিল। ইয়াৰ পূৰ্বে ভাৰতে কালি ৯ উইকেট হেৰুৱাই ২৮৫ ৰান সংগ্ৰহ কৰাৰ পাছত প্ৰথম ইনিংছ সমাপ্তিৰ ঘোষণা কৰিছিল।

উল্লেখযোগ্য যে কালি ভাৰতীয় দলটোৱে টেষ্ট ক্ৰিকেটৰ ইতিহাসত দ্ৰুততম ৰান সংগ্ৰহৰ কেইবাটাও অভিলেখ স্থাপন কৰে। যশস্বী জয়ছোৱালে ৩১টা বলত ৫০ ৰান সংগ্ৰহ কৰে, যিটো ভাৰতীয় অপেনাৰৰ সৰ্বাধিক দ্ৰুততম অৰ্ধশতক।

0000000

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফলো কৰিব পাৰে।

0000000

## Newspaper Review (01-10-2024, Morn.)

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত খানাপাৰাত ২৫ হাজাৰৰো অধিক উদ্যোগীক প্ৰথম কিস্তিৰ ধন প্ৰদান কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে 'স্বচ্ছতাৰ এক নতুন দিগন্তলৈ গতি কৰিছে অসমে' শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। চাহ বাগিচাৰ যুৱক-যুৱতীৰ দক্ষতা বিকাশৰ বাবে নিৰ্মাণ কৰা ৫০ টা দক্ষতা কেন্দ্ৰ অচল হোৱাৰ এটা বাতৰিৰ লগতে 'বিজেপিৰ সদস্যভৰ্তি অভিযানৰ লক্ষ্য পূৰণত প্ৰথম স্থানত অসম' শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত বাতৰি পৰিৱেশন কৰিছে। ভাৰতৰ শ্বেয়াৰ বজাৰত বিপৰ্যয়ৰ সন্মুখীন হোৱা বুলি এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে বিস্তাৰিতভাৱে প্ৰকাশ কৰিছে। সোণাপুৰৰ কচুতলীত প্ৰশাসনে চলোৱা উচ্ছেদ অভিযানত উচ্চতম ন্যায়ালয়ে স্থগিতাদেশ জাৰি কৰাৰ লগতে ৩ সপ্তাহৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়াৰ বাতৰিক আজি প্ৰায়বোৰ কাকতে মুখ্য বাতৰিৰ স্থান দিছে। এই সন্দৰ্ভত **দৈনিক অসম** কাকতে 'ন্যায়ালয়ক উলংঘাৰে সোণাপুৰত উচ্ছেদ' শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **আমাৰ অসম, দি আছাম ট্ৰিবিউন** কাকতেও গুৰুত্ব সহকাৰে প্ৰকাশ

কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ দেশত এন আৰ চিৰ উন্নীতকৰণত পোষকতা কৰা সন্দৰ্ভত **দৈনিক জনমভূমি** আৰু **অসমীয়া খবৰ** আদি কাকতে বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক তথা সাংবাদিক সতীশ চন্দ্ৰ চৌধুৰীৰ মৃত্যু, কাজিৰঙাত কাইলৈ মুকলি হ'ব পুৰণি বাহনৰ সংগ্ৰহালয়, যোগীঘোপাত শীঘ্ৰে মুকলি হ'ব আন্তঃৰাষ্ট্ৰীয় জাহাজ বন্দৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

**সমাপ্ত**